2025

POLITICAL SCIENCE

(Major)

Paper : POL4300104MJ

(Perspectives on Public Administration)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following as directed : 1×8=8

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) Who is regarded as the father of Public Administration?

লোক-প্ৰশাসনৰ পিতৃস্বৰূপে কাক আখ্যা দিয়া হৈছে ?

(b) Which stage is known as the golden age of development of Public Administration?

লোক-প্ৰশাসনৰ বিকাশৰ কোনটো পৰ্যায়ক সোণালী যুগ বুলি জনা যায় ?

(c) The term 'New Public Management' was first used by

'নতুন ৰাজহুৱা ব্যৱস্থাপনা' প্ৰতিশব্দটো প্ৰথমতে ব্যৱহাৰ কৰিছিল

(i) Luther Gulick
লুথাৰ গুলিক

(ii) Christopher Hood
ক্ৰিষ্টোফাৰ হুড

(iii) Henri Fayol
হেনৰী ফায়ল

(iv) Herbert Simon
হাৰ্বাৰ্ট চাইমন

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(d) From which Latin word does the word 'promotion' come?

কোনটো লেটিন শব্দৰ পৰা 'promotion' শব্দটো আহিছে ?

(e) When was the first Public Service Commission established in India?

ভাৰতত প্ৰথম লোকসেৱা আয়োগ কোন চনত গঠন কৰা হৈছিল ?

(f) Mention one difference between Public Administration and Private Administration.

চৰকাৰী প্ৰশাসন আৰু বেচৰকাৰী প্ৰশাসনৰ মাজৰ এটা পাৰ্থক্য উল্লেখ কৰা।

(g) Ecological theory was coined by _____.
(Fill in the blank)

পাৰিৱেশিক তত্ত্বটো _____য়ে উদ্ভাৱন কৰিছিল।
(খালী ঠাই পূৰণ কৰা)

(h) Hawthorne experiment is associated with which theory of administration?

হথৰ্ন পৰীক্ষা প্ৰশাসনৰ কোনটো তত্ত্বৰ সৈতে জড়িত ?

2. Answer any *six* of the following questions : 2×6=12

তলৰ প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ উত্তৰ লিখা :

(a) Mention two drawbacks of merit system of recruitment.

প্ৰৱেশনৰ মেধা ব্যৱস্থাৰ দুটা আসোঁৱাহ উল্লেখ কৰা।

(b) Write two features of New Public Administration.

নতুন লোক-প্ৰশাসনৰ দুটা বৈশিষ্ট্য লিখা।

(c) Mention two training agencies in India.

ভাৰতত দুটা প্ৰশিক্ষণ প্ৰদানকাৰী অনুষ্ঠানৰ নাম উল্লেখ কৰা।

(d) Write two characteristics of Max Weber's theory of bureaucracy.

মেক্স ৱেবাৰৰ আমোলাতান্ত্ৰিক তত্ত্বৰ দুটা চাৰিত্ৰিক বৈশিষ্ট্য লিখা।

(e) Write two merits of political neutralities in administrative service.

অসামৰিক সেৱাৰ ৰাজনৈতিক নিৰপেক্ষতাৰ দুটা গুণ লিখা।

(f) Mention two features of good governance.

সুশাসনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(g) Write two differences between integral view and managerial view of Public Administration.

লোক-প্ৰশাসনৰ অখণ্ডিত আৰু ব্যৱস্থাপকীয় দৃষ্টিভংগীৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(h) What is 'politics-administration dichotomy'?

'ৰাজনীতি-প্ৰশাসন দ্বি-বিভাজন' মানে কি?

(i) Write two principles of administrative management theory of Luther Gulick.

লুথাৰ গুলিকৰ প্ৰশাসনীয় পৰিচালনা তত্ত্বটোৰ দুটা নীতি লিখা।

(j) Mention two essential features of promotion system.

পদোন্নতি ব্যৱস্থাৰ দুটা অত্যাৱশ্যকীয় বৈশিষ্ট্য উল্লেখ কৰা।

3. Write short notes on any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

(a) Nature of Public Administration

লোক-প্ৰশাসনৰ প্ৰকৃতি

(b) New Public Administration

নতুন লোক-প্ৰশাসন

(c) Good governance

সুশাসন

(d) Spoils system

পদ পুৰস্কাৰ ব্যৱস্থা

(e) Need and importance of training

প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

(f) Political neutrality and Indian Administrative Service

ৰাজনৈতিক নিৰপেক্ষতা আৰু ভাৰতীয় প্ৰশাসনীয় সেৱা

(g) New Public Service

নতুন লোকসেৱা

(h) Difference between Seniority principle and Merit principle

জ্যেষ্ঠতা নীতি আৰু মেধা নীতিৰ মাজৰ পাৰ্থক্য

4. Answer any *two* of the following questions : 10×2=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা :

(a) Define Public Administration. Discuss the significance of studying Public Administration.

লোক-প্ৰশাসনৰ সংজ্ঞা দিয়া। লোক-প্ৰশাসন অধ্যয়নৰ তাৎপৰ্য আলোচনা কৰা।

(b) Critically evaluate the impact of feminist perspective on administration.

প্ৰশাসনৰ ওপৰত নাৰীবাদী দৃষ্টিকোণৰ প্ৰভাৱৰ সমালোচনাত্মক মূল্যায়ন কৰা।

(c) Discuss critically scientific management theory of administration.

প্ৰশাসনৰ বৈজ্ঞানিক পৰিচালনা তত্ত্বৰ সমালোচনাত্মক আলোচনা কৰা।

(d) What do you mean by direct recruitment? Examine the justification for and against the system of direct recruitment.

প্ৰত্যক্ষ প্ৰৱেশন মানে কি বুজা? প্ৰত্যক্ষ প্ৰৱেশন ব্যৱস্থাৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ পৰীক্ষা কৰা।

(e) Discuss the composition and functions of the Union Public Service Commission of India.

ভাৰতৰ সংঘীয় লোকসেৱা আয়োগৰ গঠন আৰু কাৰ্যাৱলী আলোচনা কৰা।

★★★

2025

POLITICAL SCIENCE

(Major)

Paper : POL4300204MJ

(Understanding International Relations)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

1. Answer the following as directed : 1×8=8

তলত দিয়াবিলাকৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া :

(a) Who is the author of the book, *Politics Among Nations*?

Politics Among Nations নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

(b) In which year was the International Monetary Fund (IMF) established?

কোন চনত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (IMF) স্থাপন কৰা হৈছিল ?

(i) 1944

১৯৪৪

(ii) 1947
১৯৪৭

(iii) 1950
১৯৫০

(iv) 1939
১৯৩৯

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(c) How many member States are there in European Union?

ইউৰোপীয় সংঘত কিমানখন সদস্য ৰাষ্ট্ৰ আছে?

(d) The World Trade Organization was established in _____.
(Fill in the blank with correct answer)

বিশ্ব বাণিজ্য সংস্থাৰ প্ৰতিষ্ঠা হৈছিল _____ চনত।
(খালী ঠাইখিনি শুদ্ধ উত্তৰেৰে পূৰণ কৰা)

(i) 1990
১৯৯০

(ii) 1992
১৯৯২

(iii) 1994
১৯৯৪

(iv) 1995
১৯৯৫

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) Where is the Secretariat of SAARC situated?

SAARC ৰ সচিবালয় ক'ত অৱস্থিত?

(f) Who for the first time used the term 'Cold War'?

'শীতল যুদ্ধ' শব্দটো কোনে প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল?

(g) The Treaty of Versailles was signed among which countries in 1919?

১৯১৯ চনত কোন কেইখন দেশৰ মাজত ভাৰ্চাইল চুক্তি স্বাক্ষৰিত হৈছিল?

(h) What is Gender Development Index (GDI)?

লিংগ উন্নয়ন সূচকাংক (GDI) কি?

2. Answer any *six* of the following questions : 2×6=12

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ উত্তৰ লিখা :

(a) Mention two features of Neoliberalism.

নব্য-উদাৰতাবাদৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(b) Who are the main actors in International Relations?

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ মূল কৰ্তাসকল কোন ?

(c) What is COMECON and who formed it?

COMECON কি আৰু ইয়াক কোনে গঠন কৰিছিল ?

(d) Write two major developments in the post-Cold War era.

শীতল যুদ্ধৰ পৰৱৰ্তী পৰ্যায়ত সংঘটিত প্ৰধান পৰিঘটনা দুটা লিখা।

(e) State any two functions of World Bank.

বিশ্ব বেংকৰ যি কোনো দুটা কাৰ্য উল্লেখ কৰা।

(f) Write two reasons for the emergence of BRICS.

ব্ৰিকছ্ আবিৰ্ভাৱ (উত্থান)ৰ দুটা কাৰণ লিখা।

(g) Name two types of ecology.

বাস্তৱ বিদ্যা (পৰিৱেশতন্ত্ৰ)ৰ দুটা প্ৰকাৰ লিখা।

(h) What is the difference between State and Non-State terrorism?

ৰাষ্ট্ৰ আৰু অ-ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ মাজৰ পাৰ্থক্য কি ?

(i) State two impacts of globalization on terrorism.

সন্ত্ৰাসবাদৰ ওপৰত বিশ্বায়নৰ দুটা প্ৰভাৱ উল্লেখ কৰা।

(j) Mention two causes of migration.

প্ৰব্ৰজনৰ দুটা কাৰণ উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain four emerging trends in contemporary International Relations.

সমসাময়িক আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত উদ্ভাসিত চাৰিটা ধাৰা ব্যাখ্যা কৰা।

(b) Is the Nation-State system dead or dying? Examine critically.

জাতি-ৰাষ্ট্ৰ ব্যৱস্থা মৃত নে মৃত্যুমুখত পৰিছে? সমালোচনাত্মকভাৱে পৰীক্ষা কৰা।

(c) Explain the significance of global economy.

বিশ্ব অৰ্থনীতিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(d) What are the priorities of G-20 Summit in Delhi? Elaborate.

দিল্লীৰ জি-২০ সন্মিলনৰ অগ্ৰাধিকাৰসমূহ কি কি ? বৰ্ণনা কৰা।

(e) Discuss the principles and importance of Green Politics.

সেউজ ৰাজনীতিৰ নীতি আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা।

(f) What are the challenges faced by SAARC? Discuss briefly.

SAARCয়ে কি কি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে? চমুকৈ আলোচনা কৰা।

(g) Examine the causes for the emergence of Third World.

তৃতীয় বিশ্বৰ আবিৰ্ভাৱৰ কাৰণসমূহ পৰীক্ষা কৰা।

(h) Describe the various techniques adopted by International Terrorism.

আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদে গ্ৰহণ কৰা বিভিন্ন কৌশলসমূহ বৰ্ণনা কৰা।

4. Answer any *two* of the following questions : 10×2=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা :

(a) Discuss briefly the six principles of realism put forward by Hans J. Morgenthau.

হেনস্. জে. মৰ্গেনথাউৱে আগবঢ়োৱা বাস্তৱবাদৰ ছটা নীতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(b) Elaborate on the origin and causes of the World War II.

দ্বিতীয় বিশ্বযুদ্ধৰ উৎপত্তি আৰু কাৰণসূহৰ ওপৰত বিশদভাৱে লিখা।

(c) What do you mean by Cold War? Discuss the impact of Cold War in International Politics.

শীতল যুদ্ধ বুলিলে কি বুজা? আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত শীতল যুদ্ধৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

(d) Define human security. Explain the various components of human security.

মানৱ নিৰাপত্তাৰ সংজ্ঞা দিয়া। মানৱ নিৰাপত্তাৰ বিভিন্ন উপাদানসমূহ ব্যাখ্যা কৰা।

(e) How does ASEAN promote regional cooperation among its member States? Discuss.

ASEAN (আছিয়ানে) নিজৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত আঞ্চলিক সহযোগিতাক কেনেকৈ প্ৰসাৰিত কৰে? আলোচনা কৰা।

★★★